Total No. of Printed Pages—3

**4 SEM TDC ASMH (CBCS) C 8**

**2023**

( May/June )

ASSAMESE

( Core )

Paper : C–8

( তুলনামূলক সাহিত্যৰ পদ্ধতি আৰু প্ৰয়োগ )

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ দিয়াঁ : ১×৮=৮

(ক) তুলনামূলক সাহিত্য-বিষয়ক কোনখন গ্ৰন্থক প্ৰথম প্ৰকাশিত গ্ৰন্থৰূপে বিবেচনা কৰা হয়?

(খ) বিশ্বসাহিত্য (World Literature) পদটো কোনে প্ৰথম ব্যৱহাৰ কৰিছিল?

(গ) কোন চনত কলিকতা বিশ্ববিদ্যালয়ত এম.আই.এল. (MIL) বিভাগৰ প্ৰতিষ্ঠা হৈছিল?

(ঘ) 'পটভূমিকাত তুলনামূলক সাহিত্য' গ্ৰন্থখন কোনে লিখাঁ?

(ঙ) 'Reception' শব্দৰ অসমীয়া পৰিভাষা কি?

(চ) "ভিন ভিন ভাষাত প্ৰকাশ লাভ কৰিলেও ভাৰতীয় সাহিত্যৰ চিন্তা একক আৰু অখণ্ড।" এইষাৰ কথা কোনে কৈছিল?

(ছ) 'সন্ধ্যাৰাগ' চলচ্চিত্ৰ কিমান চনত মুক্তি পাইছিল?

(জ) 'বানপ্ৰস্থ' গল্পটোৰ কেন্দ্ৰীয় নাৰী চৰিত্ৰটোৰ নাম কি?

২। (ক) বিভিন্ন পণ্ডিতে আগবঢ়োৱা সংজ্ঞাৰ আধাৰত তুলনামূলক সাহিত্যৰ এটি ধাৰণা আগবঢ়োৱাঁ। ১৪

*অথবা*

(খ) তুলনামূলক সাহিত্যৰ উৎপত্তিৰ বিষয়ে এটা টোকা লিখাঁ। ১৪

৩। (ক) তুলনামূলক সাহিত্য আৰু তুলনামূলক অধ্যয়নৰ সম্বন্ধ দেখুৱাই এটি আলোচনা আগবঢ়োৱাঁ। ১৫

*অথবা*

(খ) তুলনামূলক সাহিত্যত একাধিক সাহিত্য আৰু কলাৰ অধ্যয়ন কেনেকৈ জড়িত হৈ পৰে, আলোচনা কৰাঁ। ১৫





৪। (ক) ভাৰতীয় সাহিত্যৰ ধাৰণা আগবঢ়াই ইয়াৰ বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰাঁ। ৭+৭=১৪

*অথবা*

(খ) তুলনামূলক ভাৰতীয় সাহিত্যৰ স্বৰূপ আৰু প্ৰাসংগিকতা সম্পৰ্কে এটি টোকা লিখাঁ। ৭+৭=১৪

৫। (ক) অসমত তুলনামূলক সাহিত্যৰ চৰ্চা সম্পৰ্কে এটি আলচ যুগুত কৰাঁ। ১৫

*অথবা*

(খ) অসমৰ পটভূমিত তুলনামূলক সাহিত্যৰ প্ৰয়োজনীয়তা সম্পৰ্কে এটি আলচ আগবঢ়োৱাঁ। ১৫

৬। (ক) ভবেন্দ্ৰনাথ শইকীয়াৰ 'বানপ্ৰস্থ' গল্পক 'সন্ধ্যাৰাগ'ৰ জড়িয়তে কিদৰে চলচ্চিত্ৰকৰণ কৰা হৈছে সেই বিষয়ে এটি আলোচনা আগবঢ়োৱাঁ। ১৪

*অথবা*

(খ) 'অসমীয়া সাহিত্যৰ চলচ্চিত্ৰকৰণ'—এই সম্পৰ্কে এটি আলোচনা যুগুত কৰাঁ। ১৪

★★★

**4 SEM TDC ASMH (CBCS) C 9**

**2023**

( May/June )

ASSAMESE

( Core )

Paper : C–9

**( ভাৰতীয় আৰ্যভাষা আৰু অসমীয়া ভাষা )**

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অসমীয়ালৈ অনুবাদ কৰাঁ (যি কোনো **চাৰিটা** অংশ) : ৩×৪=১২

(ক) বাণ্যেকা সমলংকৰোতি পুৰুষং য়া সংস্কৃতা ধাৰ্যতে।
ক্ষীয়ন্তে খলু ভূষণানি সততং বাগ্‌ভূষণং ভূষণম্‌॥

(খ) ইয়ং ধংমলিপি দেৱানাং প্ৰিয়েন প্ৰিয়দসিনা <u>ৰাঞ্ঞা</u> লেখাপিতা। ইধ ন কিংচি জীৱং আৰভিত্‌পা প্ৰজুহিতব্যং। ন চ সমাজো কতৱ্যো।

(গ) উট্‌ঠানেনপ্‌পমাদেন সঞ্ঞ্‌ঞমেন দমেন চ।
<u>দীপং</u> কয়িৰাথ মেধাৱী যং ওঘো নাভিকীৰতি॥

(ঘ) অমিঅং পাউঅ-কব্বং পঢিউং সোউং অ জেন জানন্তি।
কামস্স তত্ততন্তিং কুনন্তি তে কহং ন লজ্জন্তি॥

(ঙ) সত্তসআইং কই বচ্ছলেন কোডীঅ মজ্ঝআৰম্মি।
হালেন বিৰই আইং সালংকাৰাণং গাহানং॥

(চ) পচ্চাএসি পহুও পূব্বপসিদ্ধো য মিচ্ছদেসো থি।
তহ বিসএ সংভুত্ত আৰদ্দো মীৰসেনস্স॥

২। উল্লিখিত ১নং প্ৰশ্নৰ তলত আঁচটনা শব্দবোৰৰ যি কোনো **তিনিটা** শব্দৰ সংস্কৃত ৰূপটো লিখাঁ। ৩

৩। (ক) ভাৰতীয় আৰ্যভাষাৰ ইতিহাসক কেইটা স্তৰত ভাগ কৰা হৈছে? ভাৰতীয় আৰ্যভাষাৰ ক্ৰমবিকাশৰ এটি ৰূপৰেখা অংকন কৰাঁ। ৩+১২=১৫

*অথবা*

(খ) ভাৰতীয় আৰ্যভাষাৰ কোনটো স্তৰত সাহিত্যিক প্ৰাকৃতসমূহৰ জন্ম হৈছিল? সাহিত্যিক প্ৰাকৃতসমূহৰ নাম উল্লেখ কৰি যি কোনো দুটা প্ৰাকৃতৰ বিষয়ে আলোচনা কৰাঁ। ১+৪+১০=১৫

৪। (ক) পালি আৰু প্ৰাকৃত ভাষাৰ স্বৰবৰ্ণসমূহৰ এখন তালিকা প্ৰস্তুত কৰাঁ। সংস্কৃত স্বৰবৰ্ণসমূহে পালি আৰু প্ৰাকৃতত কেনে ৰূপ লৈছে, উদাহৰণসহ আলোচনা কৰাঁ। ৭+৮=১৫

*অথবা*

(খ) সংস্কৃত আৰু পালি ধাতুৰূপৰ এটি তুলনামূলক আলোচনা দাঙি ধৰাঁ। ১৫





৫। (ক) অসমীয়া ভাষাৰ উদ্ভৱ সম্পৰ্কে বিভিন্ন পণ্ডিতে আগবঢ়োৱা মতসমূহৰ উল্লেখ কৰি এটি গ্ৰহণযোগ্য মতামত দাঙি ধৰাঁ। ১৪

*অথবা*

(খ) আধুনিক অসমীয়া ভাষাৰ আৰম্ভণীকালৰ ভাষিক বৈশিষ্ট্যসমূহৰ বিষয়ে এটি আলোচনা যুগুত কৰাঁ।

৬। চমু টোকা লিখাঁ (যি কোনো **তিনিটা**) : ৫×৩=১৫

(ক) চৰ্যাপদৰ ভাষা

(খ) বুৰঞ্জীৰ ভাষা

(গ) বেজবৰুৱাৰ ভাষা

(ঘ) সাম্প্ৰতিক অসমীয়া ভাষা

৭। চমু উত্তৰ দিয়াঁ : ১×৬=৬

(ক) প্ৰাকৃত কাব্য এখনৰ নাম লিখাঁ।

(খ) প্ৰথম সংস্কৃত ব্যাকৰণখনৰ ৰচয়িতা কোন?

(গ) কোনটো প্ৰাকৃতক 'মানবিশিষ্ট বা আদৰ্শ' প্ৰাকৃত বুলি কোৱা হয়?

(ঘ) মাগধী-প্ৰাকৃতৰ এটা উপভাষাৰ নাম লিখাঁ।

(ঙ) 'অসমীয়া ভাষাৰ উদ্ভৱ, সমৃদ্ধি আৰু বিকাশ' গ্ৰন্থৰ লেখকজনৰ নাম কি?

(চ) 'সন্দেশৰাসক'ৰ অপভ্ৰংশ ৰূপটি লিখাঁ।

★★★